তদাৰকীত জ্ঞানৰ অন্বেষণ, অনুশাসনৰ পাঠ, মৰম-ধমকি, উৎসাহ-অনুপ্ৰেৰণা আৰু ভৱিষ্যৎ জীৱনৰ ভেটি নিৰ্মাণৰ অনুশীলন। শিক্ষাৰ্থীসকলক কিমান সোনকালে পুনৰ বিদ্যালয়লৈ ঘূৰাই আনিব পাৰি সেই বিষয়ে নানান পৰিকল্পনা কৰি থকা হৈছে। কিন্তু বাস্তৱ কথাটো হৈছে এয়ে যে অভিভাৱক, শিক্ষক আৰু সামগ্ৰিকভাৱে সমাজৰ সকলোৰে মনৰপৰা ক'ভিডৰ আতংক আঁতৰি নোযোৱালৈকে বিদ্যালয়ৰ স্বাভাৱিক পৰিৱেশ সোনকালেই গঢ়ি উঠাৰ আশা ক্ষীণ। ঠায়ে ঠায়ে, বিশেষকৈ গাঁও অঞ্চলত কিছুমান বিদ্যালয় খোলা দেখা গৈছে। কিন্তু সকলোকে সামৰি ল'ব পৰাকৈ সাৰ্বজনীন ব্যৱস্থা এটা সাজু কৰিব পৰা এতিয়ালৈকে হোৱা নাই।

শিক্ষা-প্ৰতিষ্ঠান বন্ধ হৈ থকাৰ ফলত শিশুসকল কেৱল পাঠগ্ৰহণৰপৰাই বঞ্চিত হৈ থকা নাই। শ্ৰেণীকোঠাত শিক্ষক-শিক্ষয়িত্ৰীৰ চকুত চকু ৰাখি কৰা মনঃসংযোগৰপৰাও শিশুসকল সুদীৰ্ঘ দিন ধৰি বঞ্চিত হৈ আছে। তেওঁলোকৰ কল্পনাৰ জগতখন থমকি ৰৈছে, নতুন নতুন চিন্তাই গজালি মেলাতো বাধাৰ সৃষ্টি হৈছে, সৃষ্টিশীল কাম কৰাৰ উদ্দীপনা ব্যাহত হৈছে। তাৰ পৰিৱৰ্তে শিশুসকল, শিক্ষাৰ্থীসকল ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ এক অনিশ্চয়তা ভৰা আৰু বিৰক্তিকৰ জীৱনযাত্ৰাত আৱদ্ধ হৈ পৰিছে। শিশুৰ নৈতিক বিকাশ আৰু সামগ্ৰিক বিকাশত সমনীয়াৰ (Peer group) প্ৰভাৱ কিমান গুৰুত্বপূৰ্ণ সেই সম্পৰ্কে বিশ্বপ্ৰসিদ্ধ মনোবিজ্ঞানী জাঁ পিয়াজে (Jean Piaget) উল্লেখ কৰি গৈছে। পিতৃ-মাতৃয়ে শিশুৰ সামাজিক ব্যৱহাৰৰ ভেটি তৈয়াৰ কৰে, কিন্তু সমনীয়াৰ প্ৰভাৱত শিশুৰ মনত সহযোগিতা আৰু প্ৰতিযোগিতা, স্বাধীনচিতীয়া আৰু আত্মবিশ্বাসৰ মনোভাৱ, নেতৃত্বৰ গুণ আদি বিকশিত হয়। সমনীয়াৰ লগত মিলা-মিচাই শিশুক পৰনিৰ্ভৰশীলতাৰপৰা আত্মনিৰ্ভৰশীল অৱস্থালৈ আগবাঢ়ি যোৱাত অৰিহণা যোগায়।

সাম্প্ৰতিক লকডাউন আৰু শিক্ষা-প্ৰতিষ্ঠান বন্ধ ৰাখিবলগীয়া হোৱা পৰিস্থিতিয়ে সেয়েহে স্বাভাৱিকতে শিশুৰ মানসিক জগতখনলৈ বহুতো বিৰূপ প্ৰভাৱ কঢ়িয়াই অনা দুৰ্ভাৱনাৰ সৃষ্টি কৰিছে।

## শিশুসকলৰ ওপৰত পৰিব পৰা প্ৰভাৱসমূহ

ইউনেস্ক'ৰ (UNESCO) সঞ্চালক প্ৰধান আদ্ৰে অজুলিয়ে (Audrey Azouley) মন্তব্য কৰিছে যে—"...সমগ্ৰ পৃথিৱী ব্যাপি শিক্ষাৰ ক্ষেত্ৰখন যিটো গতিত আৰু ব্যাপকতাৰে বাধাগ্ৰস্ত হৈছে সেয়া তুলনাবিহীন। এইটো দীঘলীয়া সময়ৰ বাবে চলি থাকিলে শিক্ষাৰ অধিকাৰৰ প্ৰশ্নটোতেই ভাবুকিৰ সৃষ্টি কৰিব।"

ক'ভিড-১৯ মহামাৰীয়ে শিশুৰ মানসিক স্বাস্থ্যৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে শেহতীয়াকৈ বিশ্বৰ কেইখনমান দেশত চলোৱা কিছু অধ্যয়নৰ তথ্য প্ৰকাশিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউনিভাৰ্ছিটি অব টেক্সাছ মেডিকেল ব্ৰাঞ্চৰ মানসিক ৰোগ বিভাগৰ মুৰব্বী অধ্যাপক ডা° কাৰেন ডিনিন ৱাগনাৰৰ (Karen Dineen Wagner)দ্বাৰা প্ৰকাশিত এখন শেহতীয়া গৱেষণা পত্ৰত এনে কিছু তথ্য দাঙি ধৰা হৈছে।

ইটালি আৰু স্পেইনৰ ৩ৰপৰা ১৮ বছৰ বয়সৰ ১১৪৩টি শিশুৰ ওপৰত কোৱাৰেণ্টাইনৰ ফলত হ'ব পৰা আৱেগিক সমস্যাৰ বিষয়ে অধ্যয়ন কৰা হৈছিল। এই শিশুসকলৰ অভিভাৱকসকলক সোধা এলানি প্ৰশ্নৰ উত্তৰবোৰ বিশ্লেষণ কৰা হৈছিল। অভিভাৱকসকলে দাখিল কৰা তথ্যৰপৰা ওলাই পৰিছিল যে লকডাউনৰ সময়ছোৱাত এই শিশুসকলৰ ৮৫.৭ শতাংশৰেই বিভিন্ন ধৰণৰ মানসিক সমস্যাৰ সৃষ্টি হৈছিল। এনে সমস্যাবোৰৰ ভিতৰত আছিল মনোযোগ হ্ৰাস, বিৰক্তি, খিংখিঙীয়া স্বভাৱ বৃদ্ধি, নিঃসংগতাৰ অনুভৱ, অস্বস্তি, অস্থিৰতা ইত্যাদি।

৬৩টা বিভিন্ন সমীক্ষাই সামৰি লোৱা প্ৰায় ৫১,৫৭৬টি শিশুৰ ওপৰত চলোৱা আন এটা বৃহৎ অধ্যয়নৰ বিশ্লেষণত ওলাই পৰিছে যে লকডাউন, কোৱাৰেণ্টাইন আৰু নিঃসংগতাই শিশুসকলৰ ওপৰত ভৱিষ্যতে ৯ বছৰ পাছলৈকেও হতাশাৰ জন্ম দিব পাৰে।

বাংলাদেশৰ ৫ৰপৰা ১৫ বছৰীয়া কেইবাশ শিশুৰ অভিভাৱকৰপৰা লোৱা প্ৰশ্নোত্তৰৰ বিশ্লেষণতো ক'ভিডৰ ফলত হোৱা শিশুসকলৰ হতাশা, উদ্বিগ্নতা, টোপনিৰ ব্যাঘাত আদি বৃদ্ধি হোৱাৰ ছবি পোহৰলৈ আহিছে। একেখন গৱেষণা পত্ৰতেই চীন দেশত হোৱা অধ্যয়নৰ অনুৰূপ ছবি প্ৰতিফলিত হৈছে।

উপৰিউক্ত সমীক্ষাবোৰৰ তথ্যৰ বাহিৰেও শিশুসকলৰ ওপৰত পৰিব পৰা আন আন মানসিক-সামাজিক (psychosocial) সমস্যাবোৰৰ কিছু আগজাননী ইতিমধ্যেই পৰিস্ফুট হৈছে। ইয়াৰ লগতে শাৰীৰিক স্বাস্থ্যৰ দিশতো কিছুমান সমস্যা আহি পৰিছে।

যিহেতু লকডাউনৰ ফলত আৰু স্কুল-কলেজ বন্ধ থকাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল ঘৰতে আৱদ্ধ হৈ থাকিব লগীয়া হৈছে, তেওঁলোকৰ শাৰীৰিক সক্ৰিয়তা, খেল-ধেমালি আদি স্বাভাৱিকতেই বন্ধ হৈ গৈছে। গাঁও অঞ্চলত এই সমস্যাটো বহু পৰিমাণে কম যদিও নগৰ-চহৰত বসবাস কৰা শিশুৰ ক্ষেত্ৰত এয়া এটা গুৰুতৰ সমস্যাত পৰিণত হৈছে। শাৰীৰিক চাল-চলন বন্ধ হৈ যোৱাৰ বাবে মেদবহুলতা; টিভি, ম'বাইল ফোন, কম্পিউটাৰৰ লগত অধিক সময় কটোৱাৰ ফলত হ'ব পৰা আন সমস্যাবোৰৰ সম্ভাৱনাও বাঢ়ি আহিছে। অনলাইন পাঠ্যক্ৰম এই মুহূৰ্তত এটা অপৰিহাৰ্য আহিলা বা উপায়ত পৰিণত হৈ পৰিছে।

চিন্তনীয় কথাটো হৈছে, অনলাইন পাঠদানে সমাজৰ সকলো শিশুকে সমানে সামৰি ল'ব পৰা নাই। আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ শিশুসকল এই ক্ষেত্ৰত কিছু সমস্যাৰ সন্মুখীন হৈছে। প্ৰতিগৰাকী শিশুৱেই যাতে অনলাইন পাঠ গ্ৰহণৰ সুবিধা লাভ কৰিব পাৰে তাৰ বাবে চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত, আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক তদাৰকী ব্যৱস্থাৰ মাধ্যমেৰে স্মাৰ্ট ফোন যোগান ধৰাৰ ব্যৱস্থা কৰা উচিত।

ভাৰতবৰ্ষত প্ৰায় ৭০ শতাংশ শিক্ষাৰ্থী পঢ়ে চৰকাৰী বিদ্যালয়ত। প্ৰায় ৪৫ শতাংশ এনে স্কুলত খেলপথাৰৰ ব্যৱস্থা নাই। ভাৰতবৰ্ষৰ বেছিভাগ ঠাইতেই অনলাইন শিক্ষা ব্যৱস্থাৰ মূল অসুবিধাটো হৈছে বিদ্যুৎ আৰু ইণ্টাৰনেটৰ সমস্যা। ২০১৭-১৮ চনৰ এটা সমীক্ষাত ওলাইছিল যে দেশখনৰ ৯৯ শতাংশ ঘৰতেই বিদ্যুতৰ সংযোগ আছে যদিও ইয়াৰে প্ৰায় ৫৩ শতাংশ ঘৰতেই দিনটোৰ ১২ ঘণ্টা পৰ্যন্ত বিদ্যুৎ যোগান নাথাকে। ২৪ শতাংশ মানুহৰ হাতততহে স্মাৰ্ট ফোন আছে। (এই সংখ্যাটো হয়তো এতিয়া অলপ বেছি হ'ব)। এনে এটা পটভূমিত দীৰ্ঘদিনৰ বাবে চলা অনলাইন শিক্ষা ব্যৱস্থাৰে প্ৰকৃত শিক্ষাদানত সম্পূৰ্ণ সফলতা আশা কৰাটো টান। তথাপি এনে ব্যৱস্থা চলাই ৰাখিব লাগিব আৰু নিৰাপদ বিকল্পৰ কথাও চিন্তা কৰিব লাগিব।

শিক্ষা-প্ৰতিষ্ঠান বন্ধ হৈ থকাৰ ফলত শিশুৰ পৰিপুষ্টিজনিত আন এটা গুৰুতৰ প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষৰ ছবিখন চালেই কথাটো স্পষ্ট হৈ পৰে। পৃথিৱীৰ ভিতৰত ভাৰততেই শিশুৰ সংখ্যা সৰ্বাধিক— প্ৰায় ৪৭.২ কোটি। ইয়াৰ ভিতৰত প্ৰায় ৪ কোটি শিশু অতি দুখীয়া পৰিয়ালৰ। এই শিশুসকলৰ অধিকাংশই শিশু শ্ৰমিক, প্ৰব্ৰজিত শ্ৰমিকৰ সন্তান অথবা যাযাবৰী, ৰাস্তাই-ঘাটে কটোৱা দুৰ্ভগীয়া শিশু। লকডাউনে এওঁলোকৰ জীৱনৰ ওপৰত পেলোৱা প্ৰভাৱ অতি দুখলগা আৰু ভয়াবহ। শিক্ষা-দীক্ষাৰ কথাতো বাদেই, জীয়াই থকাৰ সংগ্ৰামত হাবু-ডুবু খোৱা এই শিশুসকল ভুগিছে চৰম পুষ্টিহীনতা, কৰ্মহীনতা, দাৰিদ্ৰ্য, সামাজিক শোষণ, নানা ধৰণৰ অসদ্ব্যৱহাৰৰ (abuse)। আমাৰ ৰাজ্যখনত এই ধৰণৰ সমস্যাৰ গভীৰতাৰ ছবিখন এতিয়াও পৰিস্ফুট হৈ ওলোৱা নাই।

আন এটা গুৰুত্বপূৰ্ণ সমস্যা হৈছে স্কুলত যোগান ধৰা মধ্যাহ্ন ভোজনৰপৰা বঞ্চিত শিশুসকলৰ সমস্যা। ভাৰতবৰ্ষৰ প্ৰায় ১২ কোটি শিশুৱে বিদ্যালয়ত মধ্যাহ্ন ভোজন গ্ৰহণ কৰে। দুপৰীয়াৰ এই আহাৰখিনিয়েই